**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-07-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্য চৰকাৰে সমগ্ৰ জিলাত বন্যপ্ৰাণী মানুহ, বিশেষকৈ হাতী মানুহৰ সংঘাত আৰু বান্দৰৰ বিভিষিকা দূৰ কৰাৰ বাবে বৈজ্ঞানিক আৰু স্থায়ী ৰণনীতি যুগুত কৰাৰ উদ্দেশ্যেৰে সৰ্বাত্মক আলোচনা প্ৰক্ৰিয়া আৰম্ভ কৰিছে। বিধানসভা চৌহদত আজি বিধায়কসকলৰ সৈতে অনুষ্ঠিত এখন বৈঠকৰ পাছত বন আৰু পৰিৱেশ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই সাংবাদিকৰ আগত এইকথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে বৈঠকত অঞ্চলভিত্তিক সমাধানসূত্ৰ, বিভিন্ন পক্ষৰ মাজত সমন্বয় বৃদ্ধি আৰু ভৱিষ্যতৰ কাৰ্যপন্থাৰ বাবে সৰ্বাত্মক নীতি নিৰ্দেশনা যুগুতাই উলিওৱাত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। ৰাজ্যত হাতী মানুহৰ সংঘাতৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এনে সংঘাতৰ বাবে প্ৰতিবছৰে প্ৰায় ডেৰশজন মানুহে প্ৰাণ হেৰুৱাবলগীয়া হয়। ইয়াৰ উপৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শস্য পথাৰবো ক্ষতিসাধন হয়। তেওঁ কয় যে এই সমস্যা দূৰ কৰাৰ বাবে তাৎক্ষণিক আৰু দীৰ্ঘকালিন ব্যৱস্থা গ্ৰহণ কৰাৰ আৱশ্যকতা আছে।

বাইট-মল্লবৰুৱা

মন্ত্ৰীগৰাকীয়ে কয় যে দীৰ্ঘম্যাদী পৰিকল্পনাৰ অংশ হিচাপে বনানীকৰণত আৰু হাতীৰ উপযোগী বিচৰণ ভূমি গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰিব লাগিব। হাতীৰ সংখ্যা আৰু ইয়াৰ বিচৰণ ভূমি নিৰ্ধাৰণ কৰি একো একোটা নিৰ্দিষ্ট মণ্ডল চিনাক্ত কৰা হ'ব আৰু এই মণ্ডলসমূহত অভিজ্ঞ লোকৰ সহায়ত স্থানীয় বিধায়ক তথা সংশ্লিষ্ট বিভাগৰ লোকে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলি শ্ৰীমল্লবৰুৱাই জানিবলৈ দিয়ে।

বৈঠকত বিভিন্ন মূল্যবান পৰামৰ্শ লাভ কৰা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয় কয় যে সংশ্লিষ্ট সকলো পক্ষকে ২১ জুলাইৰ ভিতৰত লিখিত আকাৰত অতিৰিক্ত পৰামৰ্শ আগবঢ়াবলৈ কোৱা হৈছে। এই পৰামৰ্শৰ ভিত্তিত বন বিভাগে ২২ জুলাইৰ ভিতৰত নীতি নিৰ্দেশনা যুগুতাই উলিয়াব। ৰাজ্যৰ কেইবাখনো জিলাত বান্দৰৰ উপদ্ৰৱ বৃদ্ধি পোৱা সন্দৰ্ভত শ্ৰীবৰুৱাই কয় যে চৰকাৰে বৈজ্ঞানিক আৰু মানৱীয়ভাৱে সমস্যাটো সমাধানৰ বাবে বিভিন্ন বিকল্প পৰীক্ষা কৰি আছে। চৰকাৰে হাতী মানুহৰ সংঘাতৰ বলি হোৱা লোকসকলক সাহায্য প্ৰদানৰ প্ৰক্ৰিয়া দ্ৰুতৰ কৰি তোলাৰ বাবে কাম কৰি আছে বুলি তেওঁ উল্লেখ কৰে। ০০০০

০০০০

কৃষিমন্ত্ৰী পিযুষ হাজৰিকাই অহা ২৫ জুলাইত গুৱাহাটী জ্যোতি বিষ্ণু প্ৰেক্ষাগৃহত হ'বলগীয়া কৃষি আন্তঃগাথনি পুঁজি সজাগতা কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিধানসভা সমষ্টিৰ প্ৰগতিশীল খেতিয়ক, কৃষি উদ্যমী আৰু অন্য পক্ষসমূহক উদগণি যোগাবলৈ বিধায়কসকলৰ প্ৰতি আহ্বান জনাইছে। মন্ত্ৰীগৰাকীয়ে আজি বিধানসভাত কয় যে কৃষি আন্তঃগাথনি পুজি হ'ল কৃষি আন্তঃগাথনি আৰু শস্য চপোৱাৰ পাছত ব্যৱস্থাপনা সুবিধাসমূহ সুদৃঢ় কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা এখন ধ্বজাবাহী আঁচনি। এই আঁচনিৰ অধীনত যোগ্য হিতাধিকাৰীসকলে কৃষি আন্তঃগাথনি বিকশাই তোলাৰ বাবে ৩ শতাংশ সূত ৰেহাইৰ সৈতে ২ কোটি টকা পৰ্যন্ত ঋণ লাভ কৰিব পাৰিব। ভালেসংখ্যক হিতাধিকাৰীয়ে ইতিমধ্যে আঁচনিখনৰ সুবিধা গ্ৰহণ কৰিছে আৰু কৃষি আন্তঃগাথনি গঢ়ি তুলিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যৰ যথেষ্ট সংখ্যক যোগ্য খেতিয়ক আৰু কৃষি উদ্যমীয়ে এতিয়ালৈকে এই সুযোগ গ্ৰহণ কৰা নাই। আঁচনিখনৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে ২৫ জুলাইত বিশেষ কাৰ্যসূচী আয়োজন কৰা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০

ৰাজ্যত যোগ্য হিতাধিকাৰীসকলক অন্তৰ্ভুক্ত কৰি অন্ন সেৱা অভিযান অব্যাহত ৰখাৰ উদ্দেশ্যে ৩১ জুলাইৰ ভিতৰত ৰেচন কাৰ্ড পুনৰীক্ষণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব লাগিব। ইয়াৰ জৰিয়তে আধাৰ নম্বৰ আধাৰিত পুনৰীক্ষণ, ই -কে ৱাই চি পুনৰীক্ষণ কৰি কাৰ্ড পোৱাৰ পাছতো ছমাহ বা তাতকৈ অধিক সময় বিনামুলীয়া চাউল গ্ৰহণ নকৰা  হিতাধিকাৰীৰ বিষয়টো পুনৰীক্ষণ কৰি প্ৰকৃত পৰিয়ালৰ বাবে ৰেচন কাৰ্ড লাভ কৰাৰ পথ প্ৰশস্ত কৰা হ'ব।    গুৱাহাটীত অনুষ্ঠিত বিভাগৰ সকলো পৰ্যায়ৰ বিষয়াসকলৰ  ৰাজ্যিক পৰ্যায়ৰ পৰ্যালোচনা আৰু মত বিনিময় সভাত অংশগ্ৰহণ কৰি খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে আজি এইকথা প্ৰকাশ কৰে। তেওঁ কয় যে জটিল ৰোগত আক্ৰান্ত লোকক ৰেচন কাৰ্ড প্ৰদানৰ নিৰ্ধাৰিত লক্ষ্যত উপনীত হোৱাৰ বাবে সকলোৱে দায়বদ্ধতাৰে কাম কৰিব লাগিব। তেওঁ কয় যে বিভাগৰ উচ্চ স্তৰৰ পৰা তৃণমূল পৰ্যায়ৰ কৰ্মচাৰীৰ লগতে সুলভ মূল্যৰ দোকানীলৈকে সকলোৰে নিষ্ঠা আৰু একাগ্ৰতাৰ বাবে ৰাজ্যখনে স্মাৰ্ট পি ডি এছ ব্যৱস্থা প্ৰৱৰ্তনত দেশৰ ভিতৰতে প্ৰথম ৰাজ্য হিচাপে সমৰ্থ হৈছে। এই সাফল্যৰ বাবে তেওঁ সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত আৰ্জেণ্টিনা, ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১২ বজাত আৰম্ভ হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ